**2015**

LINGUISTICS

( General )

**( Linguistic Fieldwork and Language Documentation )**

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

*Answer* either *in English* or *in Assamese*

**1.** Answer the following as directed : 1×10=10

তলত দিয়াবোৰৰ নিৰ্দেশ অনুসৰি উত্তৰ দিয়া :

*(a)* What is meant by language death?
(Answer in one sentence)

ভাষাৰ মৃত্যু বুলিলে কি বুজা ?
(এটা বাক্যত উত্তৰ দিয়া)

(b) What is language data?

(Answer in one sentence)

ভাষা-সমল কাক বোলে?

(এটা বাক্যত উত্তৰ দিয়া)

(c) _____ refers to the continued use of a language across generations.

(Fill in the blank)

কোনো এটা ভাষাৰ ব্যৱহাৰ এটা প্ৰজন্মৰ পৰা আন এটা প্ৰজন্মলৈ চলি থকাকে ভাষা _____ বোলা হয়।

(খালী ঠাই পূৰণ কৰা)

(d) Folk songs are an example of oral genre/written genre.

(Choose the correct option)

লোক-গীত কথিত ৰূপৰ ঠাঁচৰ/লিখিত ৰূপৰ ঠাঁচৰ উদাহৰণ।

(শুদ্ধ বিকল্পটো বাচি উলিওৱা)

(e) In order to be counted as language, a variety needs to have a written form.

(Write whether this statement is correct or incorrect)

ভাষা হিচাপে পৰিগণিত হ'বলৈ হ'লে, ভাষাৰূপ এটাৰ লিখিত ৰূপ থাকিব লাগিব।

(উক্তিটো শুদ্ধ নে অশুদ্ধ লিখা)





(f) In what way is the IPA useful for linguists?

(Answer in one sentence)

আন্তৰ্জাতিক ধ্বনিলিপি কেনেধৰণে ভাষাতত্ত্ববিদৰ কামত আহে?

(এটা বাক্যত উত্তৰ দিয়া)

(g) Why is the involvement of the community important in language documentation?

(Answer in one sentence)

ভাষাৰ নথিকৰণ প্ৰক্ৰিয়াত সেই ভাষাভাষী সম্প্ৰদায়টোক জড়িত কৰাটো কিয় প্ৰয়োজনীয়?

(এটা বাক্যত উত্তৰ দিয়া)

(h) Are language endangerment and language death the same thing?

(Answer in one sentence)

ভাষাৰ বিপন্নতা আৰু মৃত্যু একে কথা নেকি?

(এটা বাক্যত উত্তৰ দিয়া)

(i) Two friends discussing the menu in a restaurant are likely to use formal language/informal language.

(Choose the correct option)

দুজন বন্ধুৱে ৰেষ্টুৰেন্টৰ মেনুখনৰ আলোচনা কৰোঁতে আনুষ্ঠানিক ভাষা/অনানুষ্ঠানিক ভাষা ব্যৱহাৰ কৰাৰ সম্ভাৱনা বেচি।

(শুদ্ধ বিকল্পটো বাচি উলিওৱা)

*(j)* When a language dies, all the people speaking the language also die.

(Write whether this statement is correct or incorrect)

এটা ভাষাৰ মৃত্যু হ'লে সেই ভাষা কোৱা লোকসকলৰো মৃত্যু হয়।

(উক্তিটো শুদ্ধ নে অশুদ্ধ লিখা)

**2.** Distinguish the following : 2×5=10

তলত দিয়া বিষয়কেইটাৰ পাৰ্থক্য দেখুওৱা :

*(a)* Language endangerment and Language death

ভাষাৰ বিপন্নতা আৰু ভাষাৰ মৃত্যু

*(b)* Spoken language and Written language

কথিত ভাষা আৰু লিখিত ভাষা

*(c)* Broad transcription and Narrow transcription

স্থূল অনুবদ্ধন আৰু সূক্ষ্ম অনুবদ্ধন





*(d)* Minority language and Majority language

গুৰুসংখ্যকৰ ভাষা আৰু লঘুসংখ্যকৰ ভাষা

*(e)* Standard dialect and Regional dialect

মান্য উপভাষা আৰু আঞ্চলিক উপভাষা

**3.** Answer any *four* of the following questions : 5×4=20

তলত দিয়া প্ৰশ্নকেইটাৰ যি কোনো চাৰিটাৰ উত্তৰ লিখা :

*(a)* Do you think there is a connection between globalization and language endangerment?

গোলকীকৰণ আৰু ভাষাৰ বিপন্নতাৰ মাজত কিবা সম্পৰ্ক আছে বুলি তুমি ভাবানে ?

*(b)* Why should the linguistic fieldworker have a good relation with the community where he/she is doing the language documentation?

ভাষাৰ ক্ষেত্ৰকৰ্মীগৰাকীয়ে যি সম্প্ৰদায়ৰ মাজত নথিকৰণৰ কাম কৰি আছে, সেই সম্প্ৰদায়ৰ সৈতে তেওঁৰ ভাল সম্পৰ্ক থকাটো কিয় প্ৰয়োজনীয় ?

(c) Do you support the claim that "smaller languages are in greater risk of dying than bigger languages"? Give reasons.

"ডাঙৰ ভাষাবোৰতকৈ সৰু ভাষাবোৰৰ মৃত্যুৰ ভয় আপেক্ষিকভাৱে বেচি।" এই মতটো তুমি সমৰ্থন কৰানে? যুক্তি দেখুৱাই উত্তৰ লিখা।

(d) Discuss the language attitude of the Assamese community toward their mother tongue.

অসমীয়া সম্প্ৰদায়ৰ নিজৰ ভাষাৰ প্ৰতি থকা ভাষাভাবৰ আলোচনা কৰা।

(e) What kind of difficulties are faced by the fieldworker while collecting language data?

ভাষা-সমল সংগ্ৰহ কৰোঁতে ক্ষেত্ৰকৰ্মী এজনে কেনেধৰণৰ অসুবিধাৰ সন্মুখীন হ'বলগীয়া হয়?

(f) What is linguistic fieldwork?

ভাষাতাত্ত্বিক ক্ষেত্ৰকৰ্ম কি?





**4.** Answer any *four* of the following questions : 10×4=40

তলত দিয়া প্ৰশ্নকেইটাৰ যি কোনো চাৰিটাৰ উত্তৰ লিখা :

(a) What is a questionnaire? How is it useful in collecting language data?

প্ৰশ্ন-প্ৰপত্ৰ কি? ভাষা-সমল সংগ্ৰহ কৰা কামত ইয়াৰ উপযোগিতা কি?

(b) Write what you know about language documentation in Assam.

অসমত ভাষাৰ নথিকৰণৰ বিষয়ে কি জানা, লিখা।

(c) Discuss the role of English in the north-east of India. Is it creating problems for other languages of the region?

উত্তৰ-পূব ভাৰতত ইংৰাজী ভাষাৰ ভূমিকাৰ বিষয়ে আলোচনা কৰা। ইংৰাজী ভাষাই অঞ্চলটোৰ আন ভাষাসমূহৰ বাবে সমস্যাৰ সৃষ্টি কৰিছেনেকি?

(d) Should we be concerned about languages dying? Give your reasons.

ভাষাৰ মৃত্যুক লৈ আমি চিন্তিত হোৱা উচিতনে? তোমাৰ যুক্তি দৰ্শাই লিখা।

(e) In what way can a community get involved in the effort to document their language?

নিজৰ ভাষাটোৰ নথিকৰণৰ কামত এটা ভাষাগোষ্ঠী কেনেধৰণে জড়িত হ'ব পাৰে?

(f) Give an account of the various equipments/resources used in linguistic fieldwork.

ভাষাৰ ক্ষেত্ৰকৰ্মত ব্যৱহাৰ হোৱা বিভিন্ন যন্ত্ৰপাতি/সমলৰ বিষয়ে এটা বিৱৰণ দিয়া।

(g) Discuss the various levels of languages at which language data can be described.

ভাষা-সমলৰ বৰ্ণনা কৰোঁতে ভাষাৰ যি যি বিভিন্ন স্তৰৰ সহায় লোৱা হয়, সেই স্তৰবোৰৰ আলোচনা কৰা।

★★★